হে আল্লাহৰ ৰাছুল! কোনোবাই যদি মোৰ সম্পদ কাঢ়ি নিবলৈ চেষ্টা কৰে তেন্তে মই কি কৰা উচিত?

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি সুধিলেঃ হে আল্লাহৰ ৰাছুল! কোনোবাই যদি মোৰ সম্পদ কাঢ়ি নিবলৈ চেষ্টা কৰে তেন্তে মই কি কৰা উচিত? তেখেতে ক'লেঃ "তুমি তাক তোমাৰ সম্পদ নিদিবলৈ চেষ্টা কৰিবা।" ব্যক্তিজনে ক'লেঃ সি যদি মোক মাৰধৰ কৰে? তেখেত ক'লেঃ "তেন্তে তুমিও মাৰধৰ কৰিবা"। তেওঁ ক'লেঃ সি যদি মোক মাৰি পেলায়? তেখেতে ক'লেঃ "তেন্তে তুমি শ্বহীদ হিচাপে গণ্য হ'বা"। তেওঁ ক'লেঃ আৰু যদি সি মোৰ হাতত নিহত হয়? তেখেতে ক'লেঃ "তেন্তে সি জাহান্নামত নিক্ষিপ্ত হ'ব।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ এজন ব্যক্তি আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! যদি কোনো ব্যক্তিয়ে মোৰ সম্পদ কাঢ়ি নিবলৈ চেষ্টা কৰে, তেন্তে মই কি কৰা উচিত? তেখেতে ক'লেঃ তুমি আত্মসমৰ্পণ নকৰিবা আৰু তোমাৰ সম্পদো তাক গতাই নিদিবা। তেওঁ আকৌ সুধিলেঃ সি যদি মোৰ সৈতে কাজিয়া কৰে তথা মাৰপিট কৰে? তেখেতে ক'লেঃ তেন্তে তুমিও কাজিয়া কৰিবা, মাৰধৰ কৰিবা, এইটো তোমাৰ বাবে বৈধ? তেওঁ পুনৰ সুধিলেঃ সি যদি মোক হত্যা কৰে? তেখেতে ক'লেঃ তেন্তে তুমি শ্বহীদ হ'বা। তেওঁ আকৌ সুধিলেঃ আনহাতে মই যদি তাক হত্যা কৰোঁ? তেখেতে ক'লেঃ তেন্তে সি কিয়ামতৰ দিনা জাহান্নামৰ শাস্তি পোৱাৰ উপযুক্ত হিচাপে গণ্য হ'ব।

http://sunnah.global/hadeeth/as/show/3557